**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-01-2026
**Time:** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

**:::::::::::::::::::::::::::::::::::::::::::::**

১। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা কাইলৈ দেশবাসীক উদ্দেশ্যি ভাষণ দিব।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব।

৩। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, সমগ্ৰ বিশ্ব অনিশ্চয়তাৰ দিশত অগ্ৰসৰ হোৱাৰ সময়ত দেশৰ যুৱ প্ৰজন্ম শাৰীৰিক, মানসিক আৰু আৱেগিকভাৱে শক্তিশালী হোৱা উচিত যাতে প্ৰতিটো প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰা যায়।

৪। কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি কৈছে, যে উত্তৰ প্ৰদেশ দেশৰ কেৱল উদ্যমে নহয় ই বিকশিত ভাৰতৰ বিকাশ ইঞ্জিন হিচাপে পৰিগণিত হৈছে।

***আৰু***

৪। ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব।

০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে গণৰাজ্য দিৱসৰ প্ৰাকসন্ধ্যা কাইলৈ দেশবাসীক উদ্দেশ্যি ভাষণ দিব। সন্ধিয়া ৭ বজাৰ পৰা এই ভাষণ আকাশবাণীৰ সকলো নেটৱৰ্ক আৰু দূৰদৰ্শনৰ সকলো চেনেলে সম্প্ৰচাৰ কৰিব। হিন্দী আৰু ইংৰাজীত এই ভাষণ প্ৰচাৰৰ পাছতে আঞ্চলিক ভাষাতো এই ভাষণ প্ৰচাৰ কৰা হ'ব। আকাশবাণী গুৱাহাটীয়ে নিশা চাৰে ন বজাত এই ভাষণৰ অসমীয়া ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ দিনৰ ১১ বজাত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ জৰিয়তে দেশ-বিদেশৰ জনসাধাৰণৰ আগত নিজৰ মনৰ ভাব ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটোৰ ১৩০ সংখ্যক খণ্ড। এই অনুষ্ঠান আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ নেটৱৰ্কৰ উপৰি আকাশবাণীৰ ৱেবছাইট airnews আৰু newsonair মোবাইল এপৰ জৰিয়তে শুনিবলৈ পোৱা যাব। প্ৰধানমন্ত্ৰীৰ কাৰ্যালয়, তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়, আকাশবাণী আৰু দূৰদৰ্শনৰ ইউটিউৱ চেনেল যোগেও এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে অনুষ্ঠানটো প্ৰচাৰ হোৱাৰ ঠিক পাছতেই ইয়াৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০

প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে কৈছে যে, সমগ্ৰ বিশ্ব অনিশ্চয়তাৰ দিশত অগ্ৰসৰ হোৱাৰ সময়ত দেশৰ যুৱ প্ৰজন্ম শাৰীৰিক, মানসিক আৰু আৱেগিকভাৱে শক্তিশালী হোৱা উচিত যাতে প্ৰতিটো প্ৰত্যাহ্বানৰ মুখামুখি হ'ব পৰা যায়। দিল্লীৰ

সেনবাহিনীৰ চাউনিত আজি ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ শিবিৰত কেডেটসকলক সম্বোধন কৰি তেওঁ কয়, যে অপাৰেচন সিন্দূৰৰ সময়ত সমগ্ৰ দেশতে আয়োজন কৰা জনজাগৰণ কাৰ্যসূচীত এন চি চি কেডেটসকলে সাহসিকতা আৰু সমৰ্পণেৰে গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। তেওঁ এই অভিযানৰ সময়ত নিৰাপত্তা বাহিনীসমূহৰ পাছতে এন চি চি শিক্ষাৰ্থীসকলে দেশৰ বাবে দ্বিতীয় পৰ্যায়ৰ প্ৰতিৰক্ষা দায়িত্ব উল্লেখযোগ্য ভাৱে পালন কৰিছে বুলি উল্লেখ কৰে। প্ৰতিৰক্ষা মন্ত্ৰীগৰাকীয়ে কয়, যে দেশৰ নিৰাপত্তা বাহিনীসমূহে পাকিস্তান আৰু নিয়ন্ত্ৰণ ৰেখাৰ সমীপত পাকিস্তান সন্ত্ৰাসবাদী ঘাটি ধংস কৰাৰ পাছত সন্ত্ৰাসবাদীয়ে চলোৱা পেহেলগামৰ আক্ৰমণক দুৰ্ভাগ্যজনক আৰু কাপুৰুষালি কাৰ্য বুলি উল্লেখ কৰে। শ্ৰী সিঙে কয়, যে দেশৰ জোৱানসকলে ভাৰতক আঘাট সনা কাৰ্যক সাহসিকতাৰে মচীমূৰ কৰিব। তেওঁ এন চি চিক দেশৰ নিৰ্মাণৰ ক্ষেত্ৰত অনবদ্য অৰদান আগবঢ়োৱাৰ বাবে যুব প্ৰজন্ম গঢ়ি তোলাৰ উৎকৃষ্ট মাধ্যম বুলি অভিহিত কৰে। অনুষ্ঠানৰ লগত সংগতি ৰাখি আয়োজিত কাৰ্যভাৰ গ্ৰহণ সমাৰোহত এচ চি চিৰ শিক্ষাৰ্থীসকলক উল্লেখযোগ্য পাৰদৰ্শিতাৰ বাবে ৰক্ষা মন্ত্ৰী পদক আৰু প্ৰশস্তি পত্ৰ প্ৰদান কৰা হয়।

oooo

কেন্দ্ৰীয় গৃহ আৰু সমবায় মন্ত্ৰী অমিত শ্বাহে আজি কৈছে, যে উত্তৰ প্ৰদেশ দেশৰ কেৱল উদ্যমে নহয় ই বিকশিত ভাৰতৰ বিকাশ ইঞ্জিন হিচাপে পৰিগণিত হৈছে। আজি বিয়লি লক্ষ্ণৌত আয়োজিত উত্তৰ প্ৰদেশ দিৱসৰ কাৰ্যসূচীত তেওঁ মুখ্য অতিথি হিচাপে উপস্থিত থাকি এই কথা প্ৰকাশ কৰে। গৃহমন্ত্ৰীগৰাকীয়ে কয়, যে উত্তৰ প্ৰদেশ বৰ্তমান দেশৰ চতুৰ্থ অৰ্থ ব্যৱস্থাৰ ৰাজ্য হিচাপে পৰিগণিত হৈছে আৰু খাদ্য-সামগ্ৰীৰ উৎপাদনত ২০ শতাংশ অৰদান আগবঢ়াবলৈ সক্ষম হৈছে। তেওঁ নিৰ্ধাৰিত সময় অনুসৰি বৰ্তমান সময়ত ৰূপায়িত আঁচনিসমূহ সম্পূৰ্ণ কৰিবলৈ সমৰ্থ হৈছে বুলি উল্লেখ কৰি এই ক্ষেত্ৰত প্ৰগতি মঞ্চই উল্লেখযোগ্য ভূমিকা পালন কৰিছে বুলি মত প্ৰকাশ কৰে। ক্ষুদ্ৰ, লঘু আৰু মধ্যম উদ্যোগ খণ্ডৰ ব্যাপক প্ৰসাৰেৰে ৰাজ্যখনে আত্মনিৰ্ভৰ ভাৰত অভিযানক অধিক গতি প্ৰদান কৰিছে। অনুষ্ঠানত মুখ্যমন্ত্ৰী যোগী আদিত্য নাথে কয়, যে ৰাজ্যখনৰ ৭৭ সংখ্যক প্ৰতিষ্ঠা দিৱস  কেৱল ৰাজ্যতে নহয় আন দেশত বসবাস কৰা উত্তৰ প্ৰদেশৰ লোকসকলেও ইয়াক উদযাপন কৰিছে। লক্ষ্ণৌৰ ৰাষ্ট্ৰ প্ৰেৰণা স্থলত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী অমিত শ্বাহে **এখন জিলা এটা ব্যঞ্জন** আঁচনি মুকলি কৰে। তেওঁ লগতে চৰ্দাৰ পেটেল উদ্যোগীক অঞ্চল আঁচনি মুকলি কৰে।

oooo

পঞ্চায়তীৰাজ মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত নিৰ্বাচিত পঞ্চায়ত প্ৰতিনিধিসকলক সন্মানিত কৰিব। এই প্ৰতিনিধিসকলক গণৰাজ্য দিৱসৰ পেৰেড উপভোগ কৰিবলৈ বিশেষ অতিথি হিচাপে আমন্ত্ৰণ জনোৱা হৈছে। আমন্ত্ৰণ লাভ কৰা ব্যক্তিসকলৰ ভিতৰত প্ৰায় ২৪০ জন গাঁওপ্ৰধান, গাঁওবুঢ়া আৰু ব্লক তথা জিলা পঞ্চায়ত সভাপতি।

oooo

প্ৰতিৰক্ষা ৰাজ্য মন্ত্ৰী সঞ্জয় শেঠ আৰু শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে আজি পঞ্চম বীৰগাঁথাৰ ১০০ গৰাকী বিজয়ীক সম্বৰ্ধনা জনায়। ১৮ খন দেশৰ ৯১ খন বিদ্যালয়ৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ তিনিটা শাখাৰ অধীনত বিজয়ীসকলক নিৰ্বাচিত কৰা হয়। প্ৰতিগৰাকী বিজয়ীয়ে নগদ ১০ হাজাৰ টকা লাভ কৰাৰ লগতে গণৰাজ্য দিৱসৰ কৰ্তব্যপথত আয়োজিত কাৰ্যসূচীত বিশেষ অতিথি হিচাপে প্ৰত্যক্ষ কৰাৰ সুবিধা লাভ কৰিব। ২০২১ চনত আৰম্ভ কৰা বীৰগাঁথাত এই বছৰ প্ৰায় এক লাখ ৯২ হাজাৰ বিদ্যালয়ৰ প্ৰায় এক কোটি ৯২ লাখ ছাত্ৰ-ছাত্ৰীয়ে ইয়াত অংশগ্ৰহণ কৰিছিল। প্ৰতিৰক্ষা আৰু শিক্ষা মন্ত্ৰালয়ৰ যৌথ উদ্যোগত পঞ্চম বীৰগাঁথা বঁটা প্ৰদান কৰা হয়। অনুষ্ঠানত প্ৰতিৰক্ষা ৰাজ্যমন্ত্ৰী শ্ৰী শেঠে  ২০৪৭ত ভাৰতক বিশ্বৰ নেতা হিচাপে গঢ়ি তোলাৰ ক্ষেত্ৰত অৰদান  আগবঢ়াবলৈ বিজয়ীসকলৰ প্ৰতি আহ্বান জনায়। ৰাষ্ট্ৰীয় কন্যাশিশু দিৱস উপলক্ষে

তেওঁ বেটী বাচাও, বেটী পঢ়াও পদক্ষেপৰ সফলতাৰ কথা উল্লেখ কৰি কয়, যে বিজয়ীসকলৰ তিনিভাগৰ ভিতৰত দুভাগেই হৈছে ছাত্ৰী।

শিক্ষা ৰাজ্য মন্ত্ৰী জয়ন্ত চৌধাৰীয়ে কয়, যে দেশৰ বিভিন্ন প্ৰান্তৰ পৰা অহা বিজয়ীসকলে এই অনুষ্ঠানত দেশৰ বৈচিত্ৰ্যতাক প্ৰতিফলিত কৰিছে। তেওঁ যুৱ প্ৰজন্মক বিকশিত ভাৰতৰ লক্ষ্যৰে সামাজিক সেৱা আৰু প্ৰজ্ঞাৰে আগুৱাই যাবলৈ আহ্বান জনায়।

০০০০

নিৰ্বাচন আয়োগে কাইলৈ নতুন দিল্লীত ১৬ সংখ্যক ৰাষ্ট্ৰীয় ভোটাৰ দিৱস পালন কৰিব। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। এই বছৰ ৰাষ্ট্ৰীয় ভোটাৰ দিৱসৰ মূল বিষয় হৈছে- **মোৰ ভাৰত মোৰ ভোট**। অনুষ্ঠানত ৰাষ্ট্ৰপতিগৰাকীয়ে ভোটাৰ তালিকাত নতুনকৈ নাম অন্তৰ্ভুক্ত হোৱা  যুৱ প্ৰজন্মক ভোটাৰ ফটো পৰিচয় পত্ৰ প্ৰদান কৰিব। শ্ৰীমতী মুৰ্মুৱে বিভিন্ন শাখাৰ শ্ৰেষ্ঠ নিৰ্বাচন বিষয়ক কামকাজৰ বঁটাসমূহ প্ৰদান কৰিব। অনুষ্ঠানত আইন আৰু ন্যায় ৰাজ্য মন্ত্ৰী অৰ্জুনৰাম মেঘৱাল, মুখ্য নিৰ্বাচন আয়ুক্ত জ্ঞানেশ কুমাৰো উপস্থিত থাকিব।

০০০০

ভাৰত ভ্ৰমণলৈ অহা ইউৰোপীয় আয়োগৰ সভানেত্ৰী উৰ্ছুলা ভ'ন দাৰ লেয়ন আজি বিয়লি নতুন দিল্লীত উপস্থিত হৈছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত দেশৰ বৈদেশিক পৰিকমা মন্ত্ৰ্যালয়ৰ মুখপাত্ৰ ৰনধীৰ জয়ছোৱালে কয়, যে তেওঁৰ এই ভ্ৰমণে ভাৰত আৰু ইউৰোপীয় সংঘৰ কৌশলগত অংশীদাৰিত্বৰ পৰৱৰ্তী পৰ্যায়ৰ বিষয়ে অন্বেষণ কৰিব। তেওঁ লগতে কয়, যে ভাৰত আৰু ইউৰোপীয় সংঘৰ মাজত পাৰস্পৰিক বিশ্বাস আছে। সোমবাৰে গণৰাজ্য দিৱস উদযাপনত ইউৰোপীয় পৰিষদৰ সভাপতি এণ্টনিঅ' কোস্তাৰ সৈতে মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। দুয়োগৰাকী নেতাই চলিত মাহৰ ২৭ তাৰিখে ভাৰত ইউৰোপীয় সংঘৰ ১৬ সংখ্যক সন্মিলনৰ সহঅধ্যক্ষতাও কৰিব।

০০০০

সংখ্যালঘু পৰিক্ৰমা দপ্তৰৰ মন্ত্ৰী কিৰেন ৰিজিজুৱে কৈছে যে, ভগৱান বুদ্ধৰ শিকনিসমূহে সম্প্ৰীতিৰ দিশত পথ প্ৰদৰ্শন কৰি আছে আৰু সমগ্ৰ বিশ্বৰ অস্তিত্বক প্ৰতিফলিত কৰিছে। নতুন দিল্লীত আজি দ্বিতীয় গোলকীয় বৌদ্ধ সন্মিলন ২০২৬ত ভাষণ দি তেওঁ এই কথা প্ৰকাশ কৰে। শ্ৰী ৰিজিজুৱে কয়, যে এখন দেশ শক্তিশালী হৈ উঠাৰ ক্ষেত্ৰত বুদ্ধৰ শিকনি আৰু পথক অনুকৰণ কৰা উচিত। মন্ত্ৰীগৰাকীয়ে লগতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বাধীন চৰকাৰে  ভগৱান বুদ্ধৰ বাণী আৰু জ্ঞানক প্ৰসাৰ কৰাৰ পদক্ষেপৰ কথা উল্লেখ কৰে। সাংস্কৃতিক মন্ত্ৰ্যালয় আৰু আন্তঃৰাষ্ট্ৰীয় বৌদ্ধ সংঘই যুটীয়াভাৱে এই সন্মিলনৰ আয়োজন কৰিছে।

০০০০

ভাৰত আৰু নিউজিলেণ্ডৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ তৃতীয়খন খেল কাইলৈ গুৱাহাটীত অনুষ্ঠিত হ'ব। যোৱা নিশা ৰায়পুৰৰ শ্বহীদ বীৰ নাৰায়ণ সিং আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত শৃংখলাটোৰ দ্বিতীয়খন খেলত ভাৰতে নিউজিলেণ্ডক ৭ উইকেটত পৰাস্ত কৰে। ইয়াৰ জৰিয়তে ভাৰতে শৃংখলাত ২-০ৰ অগ্ৰগতি লাভ কৰে।

০০০০

ঃঃ সমাপ্ত ঃঃ